# সাধাৰণ ভাৰসাম্য দক্ষতা আৰু কল্যাণ

## আংশিক আৰু সাধাৰণ ভাৰসাম্য (Partial and General Equilibrium)

এটা অৰ্থনৈতিক ব্যৱস্থাৰ মৌলিক বৈশিষ্ট্য হৈছে বিভিন্ন আৰ্থিক কাৰ্যৰ আন্তঃসম্পৰ্ক (inter-relationship) আৰু পৰস্পৰ নিৰ্ভৰশীলতা (inter-dependence)। কিন্তু অৰ্থনৈতিক ব্যৱস্থাৰ কাৰ্যপ্ৰণালী অবিশ্বাস্যভাৱে জটিল। এখন অৰ্থনীতিৰ প্ৰতিটো অৰ্থনৈতিক উপাদানৰ আচৰণ আৰু ইয়াৰ অৱশিষ্ট অৰ্থনীতিৰ লগত সম্পৰ্ক নিৰ্ণয় কৰি প্ৰতিটো উপাদানৰে ভাৰসাম্য নিৰ্দ্ধাৰণ কৰাটো সম্ভৱ নহয়। গতিকে অৰ্থনীতিবিদসকলে অৰ্থনৈতিক বিশ্লেষণৰ বাবে ভাৰসাম্যৰ দুটা পদ্ধতি গ্ৰহণ কৰিছে—

(i) আংশিক ভাৰসাম্য পদ্ধতি (Partial Equilibrium Approach)


(ii) সাধাৰণ ভাৰসাম্য পদ্ধতি (General Equilibrium Approach)

আংশিক ভাৰসাম্য পদ্ধতিত অৰ্থনীতিৰ বিভিন্ন খণ্ড আৰু উপাদানবোৰৰ মাজৰ পৰস্পৰ নিৰ্ভৰশীলতা আৰু আন্তঃসম্পৰ্কৰ বিষয়টো অৱজ্ঞা কৰা হয়; অৰ্থাৎ এই পদ্ধতিত কোনো এক ঘটনা বা অৰ্থনৈতিক উপাদানৰ বিষয়ে অধ্যয়ন কৰা অৱস্থাত বিবেচিত ঘটনা বা উপাদানৰ ওপৰত অন্যান্য ঘটনা বা উপাদানৰ প্ৰভাৱৰ বিষয়টো বিবেচনা কৰা নহয়। এই পদ্ধতিত অৰ্থনীতিৰ কোনো এক নিৰ্দিষ্ট বিষয় অন্যান্য বিষয় বা ঘটনাৰ পৰা পৃথক কৰি অধ্যয়ন কৰা হয়। চমুকৈ ক'বলৈ গ'লে আংশিক ভাৰসাম্য পদ্ধতিটো "অন্য সকলোবোৰ কথা একে থাকিব" (Other things being equal or ceteris paribus assumption) বোলা স্বীকাৰ্যৰ ওপৰত প্ৰতিষ্ঠিত। চাহিদা আৰু যোগানৰ জৰিয়তে দ্ৰব্য বা উপাদানৰ ভাৰসাম্য দৰ আৰু পৰিমাণ নিৰ্দ্ধাৰণ কৰাৰ অৱস্থাত অন্যান্য দ্ৰব্য আৰু উপাদানৰ দৰ অপৰিৱৰ্তিত থাকিব বুলি ধৰি লোৱা হয়। ইয়াৰ অৰ্থ হ'ল কোনো এটা দ্ৰব্যৰ চাহিদাৰ ওপৰত অন্যান্য দ্ৰব্যৰ দৰৰ পৰিমাণৰ বিষয়টো অৱজ্ঞা কৰা হয়। এনেধৰণৰ বিশ্লেষণ পদ্ধতি য'ত বিভিন্ন দ্ৰব্যৰ দৰ বা দ্ৰব্য আৰু উপাদানৰ দৰৰ মাজৰ আন্তঃসম্পৰ্ক বা পৰস্পৰ নিৰ্ভৰশীলতাৰ কথাটো বিবেচনা কৰা নহয় তেনে পদ্ধতিক আংশিক ভাৰসাম্য পদ্ধতি বোলা হয়। এই বিশ্লেষণ পদ্ধতিত দ্ৰব্য বা উপাদানৰ দৰ আৰু পৰিমাণ নিৰ্ধাৰণ কৰিবলৈ প্ৰতিটো দ্ৰব্য বা উপাদানৰ বজাৰক স্বতন্ত্ৰ বুলি বিবেচনা কৰা হয়।

উদাহৰণ স্বৰূপে ব্যক্তি বা পৰিয়ালৰ উপযোগিতা সৰ্বাধিকৰণৰ আচৰণৰ ব্যাখ্যাত ব্যক্তি বা পৰিয়ালৰ আয় অপৰিৱৰ্তিত বুলি ধৰা হয় যদিও উপাদানৰ

বজাৰত উপাদান দৰৰ পৰিৱৰ্তনৰ ফলত আয় পৰিৱৰ্তন হয়, সম্পৰ্কিত দ্ৰব্যৰ দৰ অপৰিৱৰ্তিত বুলি ধৰা হয় যদিও চাহিদা আৰু যোগানৰ পৰিৱৰ্তনৰ ফলত ইয়াৰ পৰিৱৰ্তন হয় ইত্যাদি। একেদৰে প্ৰতিষ্ঠানৰ মুনাফা সৰ্বাধিকৰণৰ বিশ্লেষণত উপাদানৰ দৰ, কাৰিকৰী কৌশল আৰু দ্ৰব্যৰ দৰ অপৰিৱৰ্তিত বুলি ধৰা হয়। কিন্তু বাস্তৱ ক্ষেত্ৰত এনেবোৰ উপাদানৰ অবিৰতভাৱে পৰিৱৰ্তন হয়। কিন্তু আংশিক ভাৰসাম্য পদ্ধতিত দ্ৰব্যৰ বজাৰ আৰু উপাদানৰ বজাৰত দ্ৰব্য আৰু উপাদানৰ দৰ আৰু পৰিমাণ নিৰ্ধাৰণৰ ব্যাখ্যাত অন্য সকলোবোৰ কথা একে থাকিব (Ceteris Paribus) বোলা স্বীকাৰ্যৰ ওপৰত প্ৰতিষ্ঠিত।

অৱশ্যে যিকোনো অৰ্থনৈতিক ব্যৱস্থাৰ এক মৌলিক বৈশিষ্ট্য হ'ল— ইয়াৰ বিভিন্ন অংগৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা আৰু আন্তঃসম্পৰ্ক। সকলো দ্ৰব্য আৰু উপাদানৰ বজাৰ পৰস্পৰ সম্পৰ্কিত আৰু সকলো বজাৰৰ দৰ একেলগেই নিৰ্ধাৰণ হয়। উদাহৰণস্বৰূপে বিভিন্ন দ্ৰব্য আৰু সেৱাৰ চাহিদা নিৰ্ভৰ কৰে উপভোক্তাৰ ৰুচি আৰু আয়ৰ ওপৰত, আয় নিৰ্ভৰ কৰে উপাদানৰ দৰৰ ওপৰত, উপাদানৰ দৰ নিৰ্ভৰ কৰে বিভিন্ন উপাদানৰ চাহিদা আৰু যোগানৰ ওপৰত, উপাদানৰ চাহিদা কাৰিকৰী কৌশলৰ লগতে চূড়ান্ত দ্ৰব্যৰ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰে আৰু চূড়ান্ত দ্ৰব্যৰ চাহিদা নিৰ্ভৰ কৰে উপভোক্তাৰ আয়ৰ ওপৰত। এনেদৰে এখন অৰ্থনীতিত বিভিন্ন আৰ্থিক কাৰ্য চক্ৰীয়ভাৱে পৰস্পৰ নিৰ্ভৰশীল। এনে চক্ৰীয় নিৰ্ভৰশীলতা এটা সৰল দ্বিখণ্ডৰ অৰ্থনীতিৰ সহায়ত দেখুৱাব পৰা যায়। এনে এখন সৰল অৰ্থনীতি পাৰিবাৰিক খণ্ড আৰু প্ৰতিষ্ঠান




চিত্ৰ নং 1.1. দুটা খণ্ডৰ অৰ্থনীতিৰ চক্ৰীয় প্ৰৱাহ

খণ্ডৰ দ্বাৰা গঠিত। এই দুয়োটা খণ্ডৰ মাজৰ আন্তঃসম্পৰ্ক আৰু পৰস্পৰ নিৰ্ভৰশীলতা তলৰ চিত্ৰত চক্ৰীয় প্ৰৱাহৰ জৰিয়তে দেখুওৱা হৈছে।

1.1 নং চিত্ৰ অনুসৰি পাৰিবাৰিক খণ্ডৰ পৰা প্ৰতিষ্ঠান খণ্ডলৈ উপাদানসেৱা প্ৰৱাহিত হোৱাৰ বিপৰীতে প্ৰতিষ্ঠান খণ্ডৰ পৰা পাৰিবাৰিক খণ্ডলৈ প্ৰৱাহিত হৈছে চূড়ান্ত দ্ৰব্য আৰু সেৱা। এই প্ৰৱাহক প্ৰকৃত প্ৰৱাহ (Real Flow) বুলি কোৱা হয়। প্ৰকৃত প্ৰৱাহক মুদ্ৰাৰ মানত প্ৰকাশ কৰিলে মুদ্ৰাগত প্ৰৱাহ (Monetary Flow) বুলি কোৱা হয়। পাৰিবাৰিক খণ্ডই উপাদান সেৱা যোগান ধৰাৰ বিনিময়ত প্ৰতিষ্ঠান খণ্ডৰ পৰা উপাদান আয় লাভ কৰে। এই আয় পাৰিবাৰিক খণ্ডই প্ৰতিষ্ঠান খণ্ডৰ পৰা চূড়ান্ত দ্ৰব্য ক্ৰয় কৰিবলৈ ব্যয় কৰে। এনেদৰে পাৰিবাৰিক খণ্ডৰ ভোগ ব্যয় প্ৰতিষ্ঠান খণ্ডৰ বিক্ৰী আয় হয় আৰু প্ৰতিষ্ঠান খণ্ডৰ উপাদানৰ ওপৰত কৰা ব্যয় পাৰিবাৰিক খণ্ডৰ আয় হয়। এই প্ৰকৃত প্ৰৱাহ আৰু মুদ্ৰাগত প্ৰৱাহে দুয়োটা খণ্ডৰ মাজৰ লেনদেন আৰু পৰস্পৰ নিৰ্ভৰশীলতাৰ নিৰ্দেশ কৰিছে। দুয়োটা খণ্ড দ্ৰব্য আৰু উপাদানৰ দৰৰ মাধ্যমেৰে সম্পৰ্কিত হৈ আছে।

আংশিক ভাৰসাম্য বিশ্লেষণ পদ্ধতিত অৰ্থনীতিৰ বিভিন্ন খণ্ড আৰু বজাৰৰ মাজত থকা পৰস্পৰ নিৰ্ভৰশীলতা আৰু আন্তঃসম্পৰ্কৰ বিষয়টো বিবেচনা কৰা নহয়। গতিকে যেতিয়া বিভিন্ন দ্ৰব্য আৰু উপাদানৰ বজাৰ পৰস্পৰ নিৰ্ভৰশীল হয়, তেতিয়া আংশিক ভাৰসাম্য পদ্ধতি প্ৰযোজ্য নহয়। এনে অৱস্থাত য'ত বিভিন্ন বজাৰৰ মাজত তাৎপৰ্যপূৰ্ণ আন্তঃসম্পৰ্ক থাকে বা এখন বজাৰৰ পৰিৱৰ্তনে অন্য বজাৰক গুৰুতৰভাৱে প্ৰভাৱিত কৰিব পাৰে তেতিয়া সাধাৰণ ভাৰসাম্য বিশ্লেষণ পদ্ধতি উপযুক্ত হয়। সাধাৰণ ভাৰসাম্য বিশ্লেষণ পদ্ধতিয়ে সকলো বজাৰৰ সমসাময়িক ভাৰসাম্যৰ বিষয়ে বিবেচনা কৰাৰ লগতে এখন বজাৰৰ দৰ পৰিৱৰ্তনৰ ফলত অন্যান্য বজাৰৰ ওপৰত পৰা সকলো ধৰণৰ প্ৰভাৱৰ কথাটো বিবেচনা কৰে।

যেতিয়া এখন বজাৰৰ পৰিৱৰ্তনৰ প্ৰভাৱ আন বজাৰত নগণ্য বা সীমিত হয় তেতিয়া আংশিক ভাৰসাম্য বিশ্লেষণ পদ্ধতিয়েই উপযুক্ত হয়। কিন্তু যেতিয়া এখন বজাৰৰ পৰিৱৰ্তনে আন বজাৰক গুৰুত্বপূৰ্ণভাৱে প্ৰভাৱিত কৰে, তেতিয়া সাধাৰণ ভাৰসাম্য বিশ্লেষণ পদ্ধতি ব্যৱহাৰ হয়। যেতিয়া এখন অৰ্থনীতিক পূৰ্ণাংগ ৰূপত অধ্যয়ন কৰা হয় তেতিয়া তাত দ্ৰব্য আৰু উপাদানৰ বিভিন্ন বজাৰৰ মাজত আন্তঃসম্পৰ্ক আৰু পৰস্পৰ নিৰ্ভৰশীতা থাকিব আৰু বৃহৎ সংখ্যক সিদ্ধান্ত গ্ৰহণকাৰী গোট, যেনে — উপভোক্তা, উৎপাদক, শ্ৰমিক ইত্যাদি থাকিব। এই সকলোবোৰ অৰ্থনৈতিক গোট আত্মস্বাৰ্থৰ দ্বাৰা পৰিচালিত হ'ব আৰু নিজৰ

লক্ষ্যত উপনীত হ'বলৈ বিচাৰিব, যেনে— উপভোক্তাই উপযোগিতা সৰ্বাধিক কৰিবলৈ বিচাৰিব আৰু উৎপাদকে মুনাফা সৰ্বাধিক কৰিবলৈ বিচাৰিব। গতিকে যি অৰ্থনৈতিক ব্যৱস্থাত সকলো দ্ৰব্য আৰু উপাদানৰ দৰ আৰু পৰিমাণক চলক হিচাপে গণ্য কৰা হয় আৰু সকলো ধৰণৰ আন্তঃসম্পৰ্ক আৰু পৰস্পৰ নিৰ্ভৰশীলতাৰ কথাটো বিবেচনা কৰা হয় তেনে এক অৰ্থনীতিৰ বিষয়ে সাধাৰণ ভাৰসাম্য বিশ্লেষণ পদ্ধতিৰ সহায়ত অধ্যয়ন কৰা হয়। এখন অৰ্থনীতিৰ সাধাৰণ ভাৰসাম্য তেতিয়াহে উদ্ভৱ হ'ব যেতিয়া সকলো দ্ৰব্য আৰু উপাদানৰ বজাৰত আৰু সকলো অৰ্থনৈতিক গোট, যেনে— উৎপাদক, উপভোক্তা ইত্যাদিৰ ক্ষেত্ৰত সমসাময়িকভাৱে ভাৰসাম্য প্ৰতিষ্ঠা হয়।

এনেদৰে এইটো স্পষ্ট হৈছে যে আংশিক ভাৰসাম্য বিশ্লেষণ পদ্ধতিয়ে এক নিৰ্দিষ্ট দ্ৰব্য বা উপাদানৰ বজাৰৰ দৰ আৰু পৰিমাণ নিৰ্ধাৰণৰ ব্যাখ্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰে য'ত এখন বজাৰক অন্যান্য বজাৰৰ পৰা সম্পূৰ্ণৰূপে স্বতন্ত্ৰ বুলি ধৰি লোৱা হয়। আনহাতে সাধাৰণ ভাৰসাম্য বিশ্লেষণ পদ্ধতি সকলোবোৰ বজাৰৰ সমসাময়িক ভাৰসাম্যৰ বিশ্লেষণৰ লগত জড়িত য'ত সকলো দ্ৰব্য আৰু উপাদানৰ দৰ আৰু পৰিমাণক চলক হিচাপে বিবেচনা কৰা হয়। এতেকে সাধাৰণ ভাৰসাম্য বিশ্লেষণ পদ্ধতিয়ে সকলো দ্ৰব্য আৰু উপাদানৰ বজাৰৰ মাজত থকা পৰস্পৰ নিৰ্ভৰশীলতা আৰু আন্তঃসম্পৰ্কক প্ৰকাশ্যভাৱে বিবেচনা কৰে।

**বিনিময় আৰু ভোগৰ সাধাৰণ ভাৰসাম্য বা বিনিময়ৰ দক্ষতা ঃ**

**(General Equi...**